# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-10-2024
**Time :** 18-45 Hrs.

***Assamese Evening Bulletin***
***::::::::::::::::::::::::::::::::***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মহাৰাষ্ট্ৰত প্ৰধানমন্ত্ৰী কিষাণ নিধিৰ অধীনত অষ্টাদশ কিস্তিৰ পুঁজি আনুষ্ঠানিকভাৱে মুকলি। ৰাজ্যজুৰি এই অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ।

২। ৰাজ্যত আজিৰে পৰা ৩৯ খন সমজিলা কাৰ্যক্ষম। প্ৰথম পৰ্যায়ৰ দ্বিতীয় দিনা আজি ১৮ খন সম-জিলাৰ কাৰ্যালয় উদ্বোধন।

৩। বিগত কিছুদিন ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ কেইবাখনো জিলাৰ ভালেমান অঞ্চল প্লাৱিত।

৪। প্ৰতিকুল বতৰৰ মাজতে ৰাজ্যজুৰি শাৰদীয় দুৰ্গোৎসৱৰ ব্যাপক প্ৰস্তুতি অব্যাহত।

আৰু

৫। মহিলাৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কাইলৈ ভাৰত আৰু পাকিস্তান মুখামুখি।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰত প্ৰধানমন্ত্ৰী কিষাণ নিধিৰ অধীনত অষ্টাদশ কিস্তিৰ পুঁজি আনুষ্ঠানিকভাৱে মুকলি কৰে। উল্লেখযোগ্য যে এই আঁচনিৰ জৰিয়তে সমগ্ৰ দেশৰ ৯ কোটি ৪০ লাখতকৈও অধিকসংখ্যক কৃষক প্ৰত্যক্ষ বিত্তীয় সুযোগৰ জৰিয়তে উপকৃত হ'ব। এই আঁচনিৰ অধীনত ২০ হাজাৰ কোটি টকাতকৈও অধিক ধন মুকলি কৰা হৈছে। অসমৰ ১৮ লাখ ৮০ হাজাৰ কৃষকেও এই আঁচনিৰ জৰিয়তে ধন লাভ কৰিছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ কয় যে এই কৃষকসকলৰ একাউণ্টত ৪০৩ কোটি টকা পোনপটীয়াকৈ হস্তান্তৰ কৰা হৈছে। এই নিধিৰ জৰিয়তে কৃষকসকলে কঠোৰ পৰিশ্ৰমৰ মূল্য লাভ কৰাৰ উপৰি তেওঁলোকৰ আত্মবিশ্বাসৰ ভাবো জাগ্ৰত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

ৰাজ্যৰ বিভিন্ন জিলাত আজি প্ৰধানমন্ত্ৰীৰ এই অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। যোৰহাট জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত যোৰহাট কৃষি বিজ্ঞান কেন্দ্ৰ, কলিয়াপানী উন্নয়ন খণ্ডৰ লগতে বিভিন্ন স্থানত এই অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। উল্লেখযোগ্য যে এই আঁচনিৰ অষ্টাদশ কিস্তিত যোৰহাট জিলাৰ ৫৪ হাজাৰ ৯৬ গৰাকী কৃষকে হিতাধিকাৰী হিচাপে বাছনি লাভ কৰিছে। তেওঁলোকক ১৪ কোটি ৫৪ লাখৰো অধিক ধন প্ৰদান কৰা হ'ব। দৰং জিলাতো আজি এই অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। জিলাখনৰ ৯৩ হাজাৰ ৭৮৬ গৰাকী যোগ্য হিতাধিকাৰীয়ে নিজৰ নিজৰ একাউণ্টত এই আঁচনিৰ কিস্তিৰ ধন লাভ কৰিব। এই উপলক্ষে আজি জিলা কৃষি বিভাগৰ উদ্যোগত বিভিন্ন স্থানত অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানসমূহত তিনি শতাধিক লোকে অংশগ্ৰহণ কৰে।

০০০

প্ৰশাসনীয় ব্যৱস্থা নিয়াৰিকৈ পৰিচালনাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে আজিৰে পৰা ৩৯ খন সমজিলা কাৰ্যক্ষম কৰে। এই উপলক্ষে সমজিলা ব্যৱস্থাৰ সূচনা কাৰ্যসূচীৰ প্ৰথম পৰ্যায়ৰ অংশ হিচাপে আজি দ্বিতীয় দিনা ১৮ খন সম-জিলাৰ কাৰ্যালয় মুকলি কৰা হয়। আজি জালুকবাৰী, নতুন গুৱাহাটী, দিছপুৰ, ডিমৰীয়া, অভয়াপুৰী, ৰহা, লামডিং, লাহৰিঘাট, জাগীৰোড, ঢেকীয়াজুলী, ডুমডুমা, নাহৰকটীয়া, দুলিয়াজান, তিখং, নাজিৰা, ডিমৌ, মাহমৰা

আৰু লক্ষিপুৰত সমজিলাৰ কাৰ্যালয় মুকলি কৰা হয়। জালুকবাৰী, নিউ-গুৱাহাটী সমজিলাখন আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰাৰ বিপৰীতে কামৰূপ মহানগৰ জিলাত গঠন হ'বলগীয়া আন দুখন সমজিলা দিছপুৰ আৰু ডিমৰীয়া মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু অতুল বৰাই উদ্বোধন কৰে। আনহাতে বঙাইগাঁও জিলাৰ অভয়াপুৰী সমজিলাখন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে, নগাঁও জিলাৰ ৰহা সমজিলাখন মন্ত্ৰী অজন্তা নেওগে, লামডিং সমজিলা মন্ত্ৰী নন্দিতা গাৰ্লোচা, মৰিগাঁও-লাহৰিঘাট সমজিলা মন্ত্ৰী কেশৱ মহন্তই, জাগীৰোড সমজিলা মন্ত্ৰী পীযুষ হাজৰিকাই উদ্বোধন কৰে। একেদৰে ঢেকীয়াজুলী সমজিলাখন মন্ত্ৰী অশোক সিংহলে, ডুমডুমা সমজিলাখন সঞ্জয় কিষানে, নাহৰকটীয়া, মাহমৰা সমজিলা যোগেন মহনে, দুলীয়াজান, টিংখং সমজিলা মন্ত্ৰী বিমল বৰাই, নাজিৰা আৰু ডিমৌ সমজিলা মন্ত্ৰী ৰণোজ পেগুৱে আৰু লক্ষীপুৰ সমজিলাখন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই উদ্বোধন কৰে।

এই প্ৰশাসনিক সংস্কাৰমূলক ব্যৱস্থাৰ দ্বাৰা এতিয়াৰে পৰা সাধাৰণ নাগৰিকে ভূমি ৰাজহ দণ্ডাধীকাৰ, উন্নয়ন জনকল্যাণমূলক আঁচনি ৰূপায়ণ, খাদ্য আৰু অসামৰিক যোগান, আবকাৰী আদি বিভিন্ন জিলা পৰ্যায়ৰ সেৱাসমূহ সমজিলাৰ কাৰ্যালয়তে লাভ কৰিব। উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সমজিলা মুকলি সন্দৰ্ভত ৰাজ্যত মহকুমা ব্যৱস্থাটোৰ বিলুপ্তি ঘটোৱা হৈছে বুলি ইতিমধ্যে সামাজিক মাধ্যমযোগে অৱগত কৰিছিল। আজি জালুকবাৰী সমজিলা শুভাৰম্ভণি কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ সৈতে মত বিনিময় কৰি এইদৰে কয়।

**বাইট**

০০০

ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা এন আই এই আজি গোৱালপাৰা জিলা আৰক্ষীৰ সহযোগত জিলাখনৰ বিভিন্ন স্থানত অভিযান চলাই কেইবাগৰাকী লোকক আটক কৰে। আটক কৰা লোককেইজনক জিলাখনৰ সংৰক্ষিত আৰক্ষী চাউনীত সোধা পোচা অব্যাহত ৰখা হৈছে। লোককেইজনৰ আটকৰ কাৰণ সন্দৰ্ভত এতিয়ালৈকে কোনো তথ্য সদৰি কৰা হোৱা নাই বুলি আমাৰ গোৱালপাৰাৰ সংবাদদাতাই  জানিবলৈ দিছে।

০০০

বিগত কিছুদিন ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ বিভিন্ন ঠাইত বান পৰিস্থিতিৰ সৃষ্টি হৈছে। মেঘালয়ৰ পৰা নামি অহা ঢলে দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ বিভিন্ন অঞ্চলত বানৰ সৃষ্টি কৰিছে। জিলাখনৰ ৭ খনকৈ গাঁও পঞ্চায়ত এলেকাৰ অৰ্ধ শতাধিক গাঁও প্লাৱিত হৈছে। গাৰোপাহাৰৰ পৰা নামি অহা পানীৰ ঢলে কালাপানী-দিয়াৰা সংযোগী পথটো ছিণ্ডি পেলাইছে। ইয়াৰ ফলত দুয়োপাৰৰ জনসাধাৰণৰ মাজত যোগাযোগ বিচ্ছিন্ন হৈছে। ইফালে, অঞ্চলটোৰ দুখন হাইস্কুল বানত বুৰ যোৱাৰ ফলত পৰীক্ষাৰ্থীসকল সমস্যাৰ সন্মুখীন হৈছে।

ইফালে, গোলাঘাটৰ নুমলীগড়ৰ পাশ্বৰ্তী মৰঙি ৰাজহচক্ৰতো ধনশিৰি নৈৰ গৰাখহনীয়াই অঞ্চলটোত ত্ৰাসৰ সৃষ্টি কৰিছে।

ধাৰাসাৰ বৰষুণৰ ফলত ধুবুৰী জিলাৰ বান পৰিস্থিতিও জটিল হৈছে। জিলাখনৰ সকলো নৈ-উপনৈৰ পানী বাঢ়ি অহাৰ বাবে বিলাসীপাৰা, চাপৰ, সাপটগ্ৰাম, বগৰিবাৰী আদি অঞ্চলৰ বান পৰিস্থিতি উদ্বেগজনক হৈছে। তদুপৰি গৌৰাং নৈৰ খহনীয়াই বিলাসীপাৰাৰ বিভিন্ন অঞ্চলৰ ক্ষতি কৰিছে। জিলাখনৰ বান পৰিস্থিতি সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা প্ৰদীপ সাহা –

(ভইচ)

০০০

কেন্দ্ৰীয় চৰকাৰৰ আয়ুষ মন্ত্ৰালয়ৰ অধীনস্থ গুৱাহাটীৰ হোমিঅ'পেথিক আঞ্চলিক গৱেষণা প্ৰতিষ্ঠানে আজি দিশপুৰ প্ৰেছ ক্লাৱত আয়ুষ মন্ত্ৰালয়ৰ এশ দিনৰ কৃতিত্ব শীৰ্ষক এখন সংবাদ মেলৰ আয়োজন কৰে। জনস্বাস্থ্য উন্নয়নৰ লক্ষ্যৰে গুৱাহাটী আঞ্চলিক গৱেষণা প্ৰতিষ্ঠানে ইতিমধ্যে কেইবাটাও চিকিৎসা পৰীক্ষা সংক্ৰান্তীয় প্ৰকল্প আৰম্ভ কৰিছে বুলি সংস্থাটোৰ  বিষয়ববীয়াই সংবাদমেলখনত জানিবলৈ দিয়ে। এইসমূহৰ ভিতৰত নাকৰ এলাৰ্জীজনিত ৰোগ, ক্ৰনিক আৰটিকেৰিয়া, হাইপ'থাইৰয়ডিজম, অৰ্শজনিত অধ্যয়ন, চাহ  বাগিছাৰ শ্ৰমিকৰ স্বাস্থ্যৰ উন্নতি বিষয়ক প্ৰকল্প উল্লেখযোগ্য। ইয়াৰ সমান্তৰালকৈ প্ৰতিষ্ঠানটোৱে কেন্দ্ৰীয় হোমিঅ'পপেথিক গৱেষণা প্ৰতিষ্ঠানৰ গুৰুত্বপূৰ্ণ প্ৰকল্প ড্ৰাগ প্ৰুভিং আৰু ক্লিনিকেল ভেৰিফিকেশ্বন কাৰ্যসূচীও চলাই আহিছে। ইয়াৰ লগতে প্ৰতিষ্ঠানটোৱে যক্ষ্মা ৰোগৰ পৰীক্ষণ আৰু চিকিৎসা প্ৰদানৰ কেন্দ্ৰ এটাও স্থাপন কৰিছে। প্ৰতিষ্ঠানটোৱে মাতৃ আৰু শিশু ৰোগৰ বহিঃবিভাগ আৰু সাধাৰণ বহিঃবিভাগৰ সুবিধাসমূহো সকলো কৰ্মদিনত প্ৰদান কৰি আহিছে।

দৰিদ্ৰ সীমাৰেখাৰ তলৰ ৰোগীসকলৰ কাৰণে চৰকাৰী সুলভ হাৰত ঔষধ আৰু বিনামুলীয়া পৰামৰ্শ প্ৰদানৰ লগতে প্ৰতিষ্ঠানটোৱে জ্যেষ্ঠ নাগৰিকসকলক পঞ্জীয়নত ৫০ শতাংশ ৰেহাই দিয়ে। আজিৰ সংবাদমেলত প্ৰতিষ্ঠানটোৰ হৈ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড়ত উদ্বোধন কৰা ছাফাই মিত্ৰ স্বাস্থ্য শিবিৰ আৰু পোষণ মাহৰ কাৰ্যসূচী বিষয়েও উল্লেখ কৰা হয়। নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ এশ দিন পূৰ্তিৰ সমান্তৰালকৈ প্ৰতিষ্ঠানটোৱে ব্ৰিটেইনৰ ৰয়েল লণ্ডন হস্পিতালৰ সৈতে সহযোগিতা কৰে।

০০০

শাৰদীয় দুৰ্গা পূজালৈ মাজত মাথো ৩ টা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি ব্যাপক প্ৰস্তুতি অব্যাহত আছে। অৱশ্যে বিগত ২-৩ দিন ধৰি হৈ থকা বৰষুণৰ ফলত পূজাৰ মণ্ডপসমূহৰ প্ৰস্তুতিত কিছু সমস্যাই দেখা দিছে। প্ৰতিকুল বতৰকো নেওচি ৰাজ্যৰ বিভিন্ন প্ৰান্তত জনসাধাৰণে পূজাৰ বাবে বজাৰ সমাৰকে ধৰি অন্যান্য প্ৰস্তুতি চলাই আছে। ইপিনে, শাৰদীয় নৱৰাত্ৰিৰ আজি তৃতীয় দিনা দেৱীক চন্দ্ৰঘণ্টা ৰূপত পূজা অৰ্চনা কৰা হয়। অহা বুধবাৰে ষষ্ঠীৰ বেদীত দেবী প্ৰতিষ্ঠা কৰা হ'ব। শক্তিপীঠ কামাখ্যা ধামকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰাচীন দেৱালয়সমূহত নৱৰাত্ৰিৰ পূজা পৰম্পৰাগত ৰীতি নীতিৰে সম্পন্ন কৰা হৈছে। কামাখ্যা ধামত আড়ম্বৰ পৰিহাৰ কৰি সম্পূৰ্ণ ধৰ্মীয় ৰীতি নীতিৰে এই পূজা সম্পন্ন হয়। যোৱা ২৬ চেপ্তেম্বৰত কামাখ্যা ধামত পূজা আৰম্ভ হৈছে। বিশেষকৈ শক্তিপীঠত আয়োজিত কুমাৰী পূজাই বিশেষ তাৎপৰ্য্য বহন কৰে। নৱৰাত্ৰিৰ প্ৰথম দিনাৰ পৰা শেষৰ দিনটোলৈকে প্ৰতিদিনে ইয়াত কুমাৰী পুজা কৰা হয়। এই উপলক্ষে মন্দিৰ প্ৰাঙ্গন পোহৰ আৰু ফুলেৰে সজাই পৰাই তোলাৰ লগতে এই সময়ছোৱাত অগণন ভক্তৰ সমাগম হৈছে। গোৱালপাৰাৰ ঐতিহাসিক টুক্ৰেশ্বৰী দেৱালযত মৃন্ময়মুৰ্তিবিহীন পুজাভাগৰ আয়োজন কৰা হৈছে। তাহানীৰ বিজনীৰ ৰজা কুমুদ নাৰায়ণৰ দিনৰ পৰাই এই ঐতিহাসিক দেৱালয়ত দেৱী দুৰ্গাৰ আৰাধনা কৰি অহা হৈছে। আধুনিক জাক জমকতা পৰিহাৰ কৰা ৰজাদিনীয়া পৰম্পৰাৰে ১৭ শ শতিকাৰ পৰাই আয়োজন কৰা এই পূজা উপলক্ষে প্ৰতিবছৰে অগণন ভক্তৰ সমগম হয়। নগাওঁ জিলাতো শাৰদীয় দুৰ্গা পূজাৰ বাবে প্ৰস্তুতি অব্যাহত আছে। মণ্ডপসমসূহ আটক ধুনীয়াকৈ সজাই পৰাই তোলাৰ বাবে প্ৰতিখন পূজা সমিতিয়ে প্ৰয়াস কৰিছে।

নলবাৰী জিলাতো আজি নৱৰাত্ৰিৰ তৃতীয় দিনা দেৱী দুৰ্গাক চন্দ্ৰঘণ্টা ৰূপত পূজা কৰা হয়। ষষ্ঠীৰ দিনাৰ পৰা মূল শাৰদীয় দুৰ্গোৎসৱ অনুষ্ঠিত হ'ব।

সমাগত শাৰদীয় দুৰ্গা পূজা উপলক্ষে আজি যোৰহাট জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকে মুৰ্তি বিসৰ্জনৰ প্ৰস্তুতি পৰিদৰ্শন কৰি পুজাডুবি আৰু বালিগাওঁ ঘাটত উপস্থিত থাকে। বিসৰ্জনৰ লগতে শাৰদীয় উৎসৱৰ আটাইকেইদিনৰ কাৰ্যসূচী সুকলমে সমাপনৰ বাবে জিলা প্ৰশাসনে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে বুলি আয়ুক্তগৰাকীয়ে জানিবলৈ দিছে। জিলা প্ৰশাসনে জিলাখনত সকলো পূজা সমিতিক প্ৰতিৰোধমূলক আৰু সুৰক্ষামূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নৱৰাত্ৰিৰ তৃতীয় দিনা দেৱী চন্দ্ৰঘণ্টাৰ আশীষ বিচাৰি সামাজিক মাধ্যমযোগে বাৰ্তা দিয়ে। তেওঁ জনসাধাৰণৰ সৰ্বাঙ্গীন কল্যাণৰ বাবে দেৱীৰ আশীষ বিচাৰে।

০০০

অহা ১৭ অক্টোবৰত ধুবুৰী ৰূপসী বিমানবন্দৰৰ পৰা গুৱাহাটী আৰু কলকাতালৈ সপ্তাহত ৩ দিন যাত্ৰীবাহী বিমানসেৱা আৰম্ভ হ'ব। উল্লেখযোগ্য যে, বিগত বৰ্ষৰ পৰা বিমানবন্দৰৰ আভ্যন্তীৰণ কিছু সমস্যাৰ খাতিৰত ৰূপসীৰ পৰা যাত্ৰীবাহী বিমান সেৱা বন্ধ হৈ আছিল। কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন দপ্তৰৰ ৰাজ্যমন্ত্ৰী মুৰলীধৰ মোহনে শেহতীয়াকৈ চলিত বৰ্ষৰ অক্টোবৰৰ পৰা বিমান বন্দৰটোৰ যোগেদি অসামৰিক বিমান সেৱা চলাচল কৰাৰ আশ্বাস দিছিল। এই অনুসৰি ১৭ অক্টোবৰৰ পৰা প্ৰতি সপ্তাহে মঙলবাৰ, বৃহস্পতিবাৰ, আৰু শনিবাৰে এটা ব্যক্তিগত খণ্ডৰ বিমান পৰিবহন সংস্থাই ৰূপসীৰ পৰা কলকাতা আৰু গুৱাহাটীৰ মাজত যাত্ৰীবাহী বিমান চলাচলৰ ব্যৱস্থা কৰিব।

০০০

গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ স্নায়ুৰোগ বিভাগৰ উদ্যোগত কামৰূপ মহানগৰ জিলাৰ চৰকাৰী বিদ্যালয়সমূহত অধ্যয়নৰত মৃগী ৰোগত আক্ৰান্ত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এটা টেলি হেল্পলাইন নম্বৰ মুকলি কৰা

হৈছে। কামৰূপ মহানগৰ জিলা আয়ুক্তই কালি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ হৃদয়, বক্ষ আৰু স্নায়ু বিজ্ঞান কেন্দ্ৰত আয়োজিত এটা অনুষ্ঠানত এই হেল্পলাইন নম্বৰ মুকলি কৰে। ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদৰ অধীনত চলি থকা টেলি ই এছ এছ আই প্ৰকল্পৰ অংশ হিচাপে এই হেল্পলাইন নম্বৰ মুকলি কৰা হৈছে। 70990-48381 নম্বৰলৈ ফোন কৰিলে মৃগী ৰোগত আক্ৰান্ত ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকে তাৎক্ষণিকভাৱে চিকিৎসা ক্ষেত্ৰত সহায় তথা পৰামৰ্শ লাভ কৰিব। তদুপৰি, তেওঁলোকলৈ চিকিৎসা সেৱাও আগবঢ়োৱা হ'ব।

০০০

ধেমাজি জিলা ন্যায়াধীশৰ আদালতে ধৰ্ষণৰ অভিযোগত অভিযুক্ত দুজন অপৰাধীক ২৫ বছৰকৈ কাৰাদণ্ডৰ নিৰ্দেশ দিছে। দুটা পৃথক গোচৰত অভিযুক্ত এই অপৰাধী দুজনক জিলা ন্যায়াধীশৰ আদালতে বিচাৰ কৰি গুৰুত্বপূৰ্ণ ৰায় প্ৰদান কৰে। উল্লেখযোগ্য যে নাবালিকা ধৰ্ষণৰ ঘটনাত ধেমাজি আৰু চিলাপথাৰ থানাত গোচৰ দুটা ৰুজু কৰা হৈছিল।

০০০

অসম আৰক্ষী আৰু কাজিৰঙা বন বিভাগৰ যৌথ অভিযানত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা কেইবাটাও চোৰাং চিকাৰী আটক কৰা হয়। ধৃত চোৰাং চিকাৰীকেইটাই ৰাষ্ট্ৰীয় উদ্যানখনত গড় হত্যাৰ পৰিকল্পনাৰে সোমোৱাৰ তথ্য লাভ কৰি নগাওঁ আৰক্ষীয়ে কাজিৰঙা বন বিভাগৰ সৈতে চলোৱা অভিযানত এটা চোৰাং চিকাৰী আটক কৰি কাৰ্বি আংলং আৰক্ষীক গটাই দিয়ে। ধৃত চোৰাং চিকাৰীটোৰ ভাষ্যৰ ভিত্তিৰ পাছত আৰক্ষীয়ে অন্য ৩ টা চোৰাং চিকাৰীক আটক কৰিবলৈ সমৰ্থ হয়। ইয়াৰ লগতে এটা চোৰাং চিকাৰীৰ পৰা এটা চাইলেন্সাৰযুক্ত পিষ্টলো উদ্ধাৰ কৰা হয়।

০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত ধ্ৰুপদী ভাষা হিচাপে অসমীয়া  সন্দৰ্ভত এটা আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই অংশগ্ৰহণ কৰিব। আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০

মহিলাৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কাইলৈ ভাৰতীয় দলটো পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন কাইলৈ বিয়লি চাৰে ৩ বজাত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে কালি নিউজিলেণ্ডৰ বিৰুদ্ধে হোৱা এখন খেলত পৰাজয়বৰণ কৰাৰ ফলত ভাৰতীয় দলটো আৰম্ভণিতে জটিল অৱস্থাৰ সন্মুখীন হৈছে।

ইফালে, আজি বিয়লি অনুষ্ঠিত প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত অষ্ট্ৰেলিয়া শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। প্ৰথমে বেট ধৰি শ্ৰীলংকাৰ দলটোৱে নিৰ্ধাৰিত ২০ অ'ভাৰত ৭ উইকেটৰ বিনিময়ত মাত্ৰ ৯৩ ৰান কৰিবলৈ সমৰ্থ হয়। প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াৰ দলটোৱে বাতৰি লিখাৰ পৰলৈকে ১২ অ'ভাৰত ৩ উইকেটৰ বিনিময়ত ৭৮ ৰান কৰি খেলি আছে।

আনহাতে সন্ধিয়া চাৰে ৭ বজাত গ্ৰুপ-বিৰ এখন খেলত ইংলেণ্ড দলে বাংলাদেশৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব।

উল্লেখযোগ্য যে অহা ১৩ অক্টোবৰত হ'বলগীয়া এখন খেলত ভাৰত যোৱাবাৰৰ চেম্পিয়ন অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।  উল্লেখযোগ্য যে, প্লে অফৰ সুযোগ উজ্জীৱিত কৰি ৰখাৰ বাবে ভাৰতে এই আটাইকেইখন খেলতে জয়লাভ কৰাৰ লগতে নেট ৰান ৰেটো বৃদ্ধি কৰিব লাগিব।

০০০

সমাপ্ত